অধ্যায় ৯ ঃ বৃত্তমঞ্জৰী- সমবৃত্ত (খ-অংশ) আৰু অন্যান্য

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সমবৃত্ত-খ অংশ

- ৯.৩.১ ৰসন্ততিলকা ছন্দ
- ৯.৩.২ মালিনী ছন্দ
- ৯.৩.৩ মন্দাক্রান্তা ছন্দ
- ৯.৩.৪ শিখৰিণী ছন্দ
- ৯.৩.৫ শার্দূলশাট বা শার্দূলৰিক্রীড়িত ছন্দ
- ৯.৩.৬ স্রগ্ধৰা ছন্দ

৯.৪ বৃত্তমঞ্জৰীত আলোচিত নতুন ছন্দ

৯.৫ ছন্দ সম্পর্কীয় ওপৰঞ্চি কথা

- ৯.৫.১ ছন্দৰ প্রয়োগবিধি
- ৯.৫.২ ছন্দৰ বিশ্লেষণ পদ্ধতি

৯.৬ বৃত্তমঞ্জৰীৰ কাৱ্যিক সমীক্ষা

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৃত্তমঞ্জৰী গ্রন্থৰ কিছুমান বছা বছা সমবৃত্তৰ সংজ্ঞা আৰু উদাহৰণৰ সৈতে বিশ্লেষণ অৱগত হ'ব
- অন্যান্য ছন্দঃশাস্ত্রত পূর্বতে উল্লেখ নোহোৱা আৰু বৃত্তমঞ্জৰী গ্রন্থত আলোচিত হোৱা ছন্দৰ উমান পাব
- ছন্দৰ ওপৰঞ্চি কিছু কথা জানিব পাৰিব
- বৃত্তমঞ্জৰী গ্রন্থৰ কাৱ্যিক সমীক্ষাৰ আভাস পাব।

৯.২ পৰিচয়

আপুনি ইতিমধ্যে আগৰ অধ্যায়বোৰত ছন্দঃশাস্ত্ৰৰ বিষয়ে কিছু তথ্য লাভ কৰিলে। মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে ৰচনা কৰা বৃত্তমঞ্জৰী নামৰ ছন্দোগ্ৰন্থৰ বিষয়েও অৱগত হ'ল। এই গ্ৰন্থখনৰ কেইবিধমান বছা বছা ছন্দৰ সংজ্ঞা উদাহৰণেৰে সৈতে বিদিত হ'ল। এই অধ্যায়ত আন কেইবিধমান প্ৰয়োজনীয় সমবৃত্তৰ কথা বিশ্লেষণ কৰা হ'ব। ইয়াৰ উপৰিও মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে তেওঁৰ বৃত্তমঞ্জৰী গ্ৰন্থত এনে কিছুমান ছন্দৰ নাম উল্লেখ কৰি সংজ্ঞা প্ৰদান কৰিছে যি যিবোৰ ছন্দৰ বিষয়ে আগৰ ছন্দঃশাস্ত্ৰ প্ৰণেতাসকলে একো কোৱা নাছিল। সেইবোৰ ছন্দও উদাহৰণসহকাৰে আপুনি ইয়াতে অবগত হ'ব। তাৰোপৰি বৃত্তমঞ্জৰীৰ কাব্যিকতা সম্পৰ্কে কিছু জানিব পাৰিব। লগতে ছন্দৰ প্ৰয়োগবিধি, বিশ্লেষণ পদ্ধতিআদি বিষয়বোৰ এই অধ্যায়ৰ অধ্যয়নৰ জৰিয়তে আপুনি জ্ঞাত হ'ব।

৯.৩ সমবৃত্ত-খ অংশ

৯.৩.১ ৰসন্ততিলকা ছন্দ

এইবিধ ছন্দৰ প্ৰতিচৰণত ১৪টাকৈ আখৰ থাকে। বৃত্তমঞ্জৰী গ্ৰন্থত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে বসন্ততিলকা ছন্দৰ সংজ্ঞা এনেদৰে প্ৰদান কৰিছে—

আদ্যং দ্বিতীয়কচতুর্থমথাষ্টমঞ্চা
প্যেকাদশঞ্চ গুৰু যত্ৰ তথান্ত্যযুগ্মম্।
যোষিন্নিষেৱিত পৱিত্ৰ চৱিত্ৰ চিত্ৰে
সা স্যাদ্বসন্ততিলকা মুনিপিঙ্গলোক্তা।।

যেতিয়া কোনো এটা পদ্যৰ প্ৰতিচৰণৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ, অষ্টম, একাদশ, ত্ৰয়োদশ, চতুৰ্দশ আখৰ গুৰু হয় সেই ছন্দক ৰসন্তিতিলকা নামে পিঙ্গলমুনিয়ে কৈছে। উদাহৰণ—

উদ্বৰ্ষিণী জনদৃশাং স্তনভাৰগুৰ্ৱী
নীলোৎপলদ্যুতিমলিম্লুচলোচনা চ।
সিংহোন্নতত্ৰিকতটী কুটিলালকান্তা
কান্তাৰসন্ততিলকা নৃপৰল্লভাসৌ।।
[হলায়ুধঃ]

বসন্ততিলকা ছন্দৰ ক্ষেত্ৰত চৰণান্তে যতি পৰে।

৯.৩.২ মালিনী ছন্দ

মালিনী ছন্দও সমবৃত্ত। এই ছন্দৰ প্ৰতিচৰণত ১৫ টাকৈ আখৰ থাকে। বৃত্তমঞ্জৰী

গ্ৰন্থত ইয়াৰ লক্ষণ এনেধৰণৰ—

গুণৱতি লঘৱঃ ষট্ সন্তি যস্যাঃ পুৰস্তা—
ত্তদনু দশম ইৎথং দ্বাদশান্ত্যশ্চ ৱর্ণঃ।
নগতুৰগৰিৰামো জায়তে চেত্তদা সা
ৱৰতনু তনুমধ্যে মালিনী মালিনি স্যাৎ।।

যেতিয়া প্ৰতিচৰণৰ বৰ্ণসমূহৰ প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ, দশম, ত্ৰয়োদশ বৰ্ণ লঘু হয় তেতিয়া তাকেই মালিনী ছন্দ বুলি কোৱা হয়। উদাহৰণ—

অতিবিপুল ললাটং পীৱৰোৱঃ কৱাটং
সুগঠিতদশনোষ্ঠং ব্যাঘ্ৰতুল্যপ্ৰকোষ্ঠম্।
পুৰুষমশনিলেখালক্ষণং বীৰলক্ষ্মী
ৰতিসুৰভিভির্মালিনী চাভ্যুপৈতি।।

— [হলায়ুধঃ]

ছন্দৰ লক্ষণত থকা 'নগ' আৰু 'তুৰগ' — এই শব্দযুগলেৰে যতি নিৰ্দেশ কৰিছে। 'নগ' শব্দই ৮সংখ্যাক বুজায়। 'তুৰগ' শব্দই ৭ সংখ্যাক বুজায়। গতিকে সেই সংখ্যাৰ অন্তত যতি পৰে বুলি বুজিব লাগিব।

৯.৩.৩ মন্দাক্ৰান্তা ছন্দ

মন্দাক্ৰান্তা সমবৃত্ত। ইয়াৰ প্ৰতিচৰণত ১৭ টাকৈ আখৰ থাকে। বৃত্তমঞ্জৰী গ্ৰন্থত ইয়াৰ লক্ষণ এনেদৰে প্ৰদান কৰিছে—

ৱ্যাকোষেন্দীৱৰসুনয়নে প্ৰাক্চতুষ্কং গুৰু স্যাৎ
কান্তে যস্যাস্তদনু দশমৈকাদশঞ্চাক্ষৰঞ্চেৎ।
তদুন্মত্তদ্বিৰদগমনে দ্বাদশান্ত্যে তথান্যে
মন্দাক্ৰান্তা শ্ৰুতিৰসহয়ৈশ্চেদ্বিৰামো ভৱেৎসা।।

যি পদ্যৰ প্ৰতিচৰণত থকা বৰ্ণসমূহৰ প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, দশম, একাদশ, ত্ৰয়োদশ, ষোড়শ আৰু সপ্তদশ আখৰ গুৰু হয় তাকেই মন্দাক্ৰান্তা ছন্দ বোলা হয়। উদাহৰণ—

কুল্যাম্ভোভিঃ প্ৰসৃতিচপলৈঃ লাখিনো ধৌতমূলা
ভিন্নো ৰাগঃ কিসলয়ৰুচামাজ্যধূমোদ্গমেন।
এতে চাৰ্ব্বাগুপৱনভুৱিচ্ছিন্নদৰ্ভাঙ্কুৰায়াং
নষ্টাশঙ্কা হৰিণশিশৱো মন্দমন্দঞ্চৰন্তি।।

[অভিজ্ঞান শকুন্তলা]

মহামহোপাধ্যায়ে লক্ষণত 'শ্ৰুতৰসহয়ৈশ্চেদ্বিৰামো'— বুলি কৈ যদি নিৰ্দেশ কৰিছে। 'শ্ৰুতি' মানে বেদ। ই ৪ সংখ্যাক বুজায়। 'ৰস' মানে মিঠা, টেঙা আদি ৬বিধ

ৰস। 'হয়' শব্দই সূর্য্যৰ ৭ টা ঘোৰা অর্থাৎ সপ্তৰশ্মিক বুজায়। গতিকে মন্দাক্রান্তা ছন্দত ৪সংখ্যক, ৬সংখ্যক আৰু ৭সংখ্যক বর্ণৰ পিছত যতি পৰে।

৯.৩.৪ শিখৰিণী ছন্দ

শিখৰিণী নামৰ সমবৃত্তৰ প্রতিচৰণত ১৭টাকৈ আখৰ বিৰাজ কৰে। ইয়াৰ লক্ষণ বৃত্তমঞ্জৰীকাৰে এনেদৰে উল্লেখ কৰিছে—

লঘুর্যস্যামাদ্যস্তদনু গুৰুরঃ পঞ্চ সুৰ্দ্ধচে
ততঃ পঞ্চাদীর্ঘাস্তদনু চ গুৰ্দ্ধ দ্বৌ ত্রিলঘর ঃ।
তথা পাদান্তস্থঃ প্রভৱতি গুৰুগৌৰৱদনে
ৰসৰুদ্রৈর্ৰ্দ্রে ভৱতি ৰিৰতিঃ সা শিখৰিণী।।

যেতিয়া প্রতিচৰণৰ প্রথম বর্ণ লঘু হয়; তাৰপিছৰ পাঁচটা বর্ণ গুৰু হয় (অর্থাৎ দ্বিতীয়ৰপৰা ষষ্ঠ বর্ণলৈ গুৰু হয়); তাৰপিছত পাঁচটা বর্ণ লঘু হয় (অর্থাৎ সপ্তমৰপৰা একাদশ বর্ণলৈ লঘু হয়); তাৰপিছত দুটা বর্ণ গুৰু হয় (অর্থাৎ দ্বাদশ আৰু ত্রয়োদশ বর্ণ গুৰু হয়); তাৰ পিছত তিনিটা বর্ণ লঘু হয় (অর্থাৎ চতুর্দশ, পঞ্চদশ, ষোড়শ বর্ণ লঘু হয়) আৰু পাদান্ত সপ্তদশ বর্ণটো গুৰু হয় তেনেহ'লে শিখৰিণী ছন্দ বিৰাজ কৰে।

উদাহৰণ —

যশশ্লেষীভূতে হৃদিগগণনাথে গুণনিধৌ
প্রবৃত্তে ৱৈৰাগ্যে বিষয়ৰসনিষ্ক্রান্ত মনসাম্।
ইদানীমস্মাকং ঘনতৰুলতাং নির্ৰ্ঝৰৱতীং
তপস্তপ্তুং চেতো ভজতি গিৰিমালাং শিখৰিণীম্।।
[হলায়ুধঃ]

উল্লেখনীয় যে শিখৰিণী ছন্দৰ প্রথম যতি হয় ৬ সংখ্যক আখৰৰ পিছত আৰু দ্বিতীয় যতি হয় ১১সংখ্যক আখৰৰ পিছত (৬ + ১১=১৭ আখৰ)। 'ৰস' শব্দই ৬ সংখ্যাক বুজায়। 'ৰুদ্র' মানে একাদশ ৰুদ্র। গতিকে ১১ সংখ্যাক বুজায়। এনেদৰে মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যই যতি নির্দেশ কৰিছে।

৯.৩.৫ শার্দূলশাট বাশার্দূলৰিক্রীড়িত ছন্দ

১৯ টা আখৰ প্রতিচৰণত বিদ্যমান হৈ থকা এইবিধ বহুলপ্রয়োগ হোৱা সমবৃত্ত। ইয়াৰ সংজ্ঞা বৃত্তমঞ্জৰীত এনেদৰে উপলব্ধ হয়—

যস্যাদ্যত্রয়মক্ষৰং গুৰু ভৱেৎপ্রেষ্ঠে সষষ্ঠাষ্টমং
তদ্বদ্বাদশকং ত্রয়োদশমথো চাতুর্দশং ষোড়শম্।
তদ্বৎসপ্তদশোনৰিংশমপি তচ্ছার্দূলশাটং যদি
চ্ছেদো দ্বাদশসপ্তভির্ভৱতি ৰা শার্দূলৰিক্রীড়িতম্।।

যি ছন্দৰ প্রতিচৰণৰ প্রথম, দ্বিতীয়, তৃতীয়, ষষ্ঠ, অষ্টম, দ্বাদশ, ত্রয়োদশ, চতুর্দশ, ষোড়শ, সপ্তদশ আৰু ঊনৱিংশতি অক্ষৰ গুৰু হয় সেই ছন্দক শার্দূলশাট বা শার্দূলবিক্রীড়িত বোলা হয়। উদাহৰণ—

চঞ্চৎপঞ্চশিখণ্ডমণ্ডলমসৌ মুগ্ধপ্রগল্‌ভঃ শিশু—
গর্ভীৰঞ্চ মনোহৰঞ্চ সহজশ্রীলক্ষ্মৰূপন্দধৎ।
দ্রাগ্‌দৃষ্টোঽপি হৰত্যয়ং মম মনঃ সৌন্দর্য্যসাৰশ্রিয়া
হন্তব্যস্তু তথাপি নাম ধিগহো ৱীৰব্রতক্রৰতাম্।।

শার্দূলশাট ছন্দৰ সংজ্ঞাত স্পষ্টকৈ উল্লেখ কৰা আছে যে এই ছন্দৰ প্রতিচৰণত ১২ সংখ্যক আখৰৰ পিছত প্রথম যতি পৰে আৰু তাৰ পিছত ৭সংখ্যক আখৰৰ পিছত যতি পৰে (১২ + ৭ = ১৯ অক্ষৰ)।

৯.৩.৬ স্রগ্ধৰা ছন্দ

এইবিধ সমবৃত্তত ২১ টাকৈ আখৰ প্রতিচৰণত থাকে। ইয়াৰ সংজ্ঞা বৃত্তমঞ্জৰী গ্রন্থত নিম্নোক্ত ধৰণে উপস্থাপন কৰিছে—

যত্র স্যাৎপঞ্চমশ্চেচ্জলজমুখি লঘুঃ সপ্তমাদুত্তৰস্থা
বর্ণাঃ যন্মুগ্ধমুগ্ধে মণিময়ৰশনে ষোড়শশ্চোনৱিংশঃ।
ৱিশ্রামঃ কান্তকান্তে ত্রিমুনিষু ললিতারেল্লিতভ্রুতলে স্যা—
চ্ছন্দোৱিদ্ভিস্তদোক্তা প্রকৃতিমধুৰবাক্ স্রগ্ধৰে স্রগ্ধৰা সা।।

যেতিয়া প্রতিচৰণৰ পঞ্চম, অষ্টম, নৱম, দশম, একাদশ, দ্বাদশ, ত্রয়োদশ, ষোড়শ, উনৱিংশ ৰ্বণ লঘু হয়, তেতিয়া স্রগ্ধৰা ছন্দ হয়। উদাহৰণ—

শীর্ণঘ্রানাংঘ্রিপাণীন্ ব্রণিভিৰপঘনৈর্ঘর্ঘৰাৰ্য্যক্তযোঘে—
দীর্ঘাঘ্রাতা নঘৌঘৈঃ পুনৰপি ঘটয়ত্যেক উল্লাঘয়ন্ যঃ।
ধর্মাশোস্তস্য বোস্তর্দ্বিগুণঘনঘৃণানিঘ্ননির্ৱিঘ্নবৃত্তে—
র্দত্তার্ঘাঃ সিদ্ধসংঘৈর্ৱিদঘতু ঘৃণয় শীঘ্রমংঘো ৱিঘাতম্।।

স্রগ্ধৰা ছন্দত অতি কৌশলেৰে ধীৰেশ্বৰাচার্য্যদেৱে 'ত্রিমুনি' শব্দটো প্রয়োগ কৰি যতি নির্দেশ কৰিছে। মুনি মানে সপ্তর্ষি অর্থাৎ সাতজন ঋষি। গতিকে এই শব্দটোৱে ৭ সংখ্যক বুজায়। সেইবাবে ৭ সংখ্যক বর্ণৰ পিছত ক্রমান্বয়ে যতি পৰে (৭+৭+৭ = ২১ আখৰ)। 'স্রগ্ধৰা' শব্দটোৰ অর্থ হৈছে মালাধাৰী। 'স্রক্' মানে মালা আৰু 'ধৰা' মানে হৈছে ধাৰণ কৰা।

৯.৪ বৃত্তমঞ্জৰীত আলোচিত নতুন ছন্দ

বৃত্তমঞ্জৰী গ্রন্থৰ অন্যতম বৈশিষ্ট্য হৈছে নতুন ছন্দৰ আলোচনা। ভট্টিকাব্য, অনর্ঘৰাঘৱ, কাব্যাদর্শ আদি গ্রন্থত পোৱা কিছুমান ছন্দৰ বিষয়ে কেদাৰভট্টৰ 'বৃত্তৰত্নাকৰ', গংগাদাসৰ

'ছন্দোমঞ্জৰী', কবিকর্ণপূৰৰ 'বৃত্তমালা' আদি ছন্দোগ্রন্থত কোনো আলোচনা পোৱা নাযায়। মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে সেইবোৰ নতুন নতুন ছন্দৰ নাম আৰু লক্ষণ 'বৃত্তমঞ্জৰী' গ্রন্থত নিৰূপণ কৰি স্বকীয় প্রতিভাৰ উমান দিছে। উদাহৰণ স্বৰূপে ভট্টিকাব্যত ২২ নং সর্গৰ অন্তত নিম্নোক্ত কবিতাটো পোৱা যায়—

কাব্যমিদং বিহিতং ময়া ৱলভ্যাং
শ্রীধৰসূনু নৱেন্দ্র পালিতায়াম্।
কীর্ত্তিৰতো ভৱতান্নৃপস্য তস্য
ক্ষেমকৰঃ ক্ষিতিপো যতঃ প্রজানাম্।।

বৃত্তমঞ্জৰী গ্রন্থত এই শ্লোকৰ ছন্দ নিৰূপণ কৰি নাম দিয়া হৈছে— 'ক্ষেমকৰ ছন্দ'। এই ছন্দৰ লক্ষণ বৃত্তমঞ্জৰীৰ তৃতীয় স্তৱকত নিৰূপণ কৰা হৈছে—

আদ্য চতুর্থক সপ্তমাশ্চ বর্ণা—
শ্চেন্নৱমো দশমস্য চান্তিমৌ দ্বৌ।
যত্রমহাধিষণে! ভৱন্তি দীর্ঘাঃ
ক্ষেমকৰ সভৱেত্তদা জগত্যাম্।।

তেনেদৰে অনর্ঘৰাঘৱ নাটকৰ প্রথম অংকত নিম্নোক্ত পদ্যটি পোৱা যায়—

তন্মুদয়তি হি কুমুদাকৰ—
মশৰান্নিশানিশাত নিস্তুষো২পি তুষাৰকিৰণঃ।
স পুনঃ কিমুচ্যতে ভগৱান্
দ্বিতীয়পৰমেষ্ঠী ৱশিষ্ঠঃ।।

এই পদ্যটি বিষমবৃত্ত। বৃত্তমঞ্জৰী গ্রন্থৰ পঞ্চম স্তৱকত ইয়াৰ ছন্দোনিৰূপণ কৰা হৈছে। মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে সেই ছন্দৰ নাম ৰাখিছে— কুমুদাকৰ ছন্দ। ইয়াৰ লক্ষণ এনেধৰণৰ—

একাদশ সুমুখি। ভৱন্ত্যপি,
সুমুখেক্ষৰাণি যত্র চাদিমে চৰণে তু পুনঃ।
দশ চ দ্বিতীয়কে কুমুদা,—
কৰো দশ দশান্ত্যত্র চেৎ।।

পুনৰাই কাব্যাদর্শ গ্রন্থৰ তৃতীয় পৰিচ্ছেদত এটি মনোৰম শ্লোক পোৱা যায়—

কাল কাল গল কাল কাল মুখ কাল কাল
কাল কাল ঘন কাল কাল পন কাল কাল।
কাল কাল সিত কাল কাল লনি কাল কাল
কাল কাল গতু কাল কাল কলি কাল কাল।।

ওপৰোক্তা শ্লোকৰ ছন্দ নিৰূপণ কৰি সেই ছন্দৰ নাম বৃত্তমঞ্জৰী গ্রন্থত ৰখা হৈছে— নৱনীত ছন্দ। ইয়াৰ লক্ষণ এনেদৰে প্রতিপাদন কৰা হৈছে—

স্যাদ্বিতীয়মু চতুর্থতস্ত্রিতয়মষ্টমঞ্চ
চাৰুচামৰ শিৰোৰুহে দশমতঃ পৰঞ্চ।
ত্র্যক্ষৰং লঘু চতুর্দশং যদি চ ষোড়শঞ্চ
তর্হি তন্বি নৱনীতমিত্যুদিতমঞ্চিতঞ্চ।।

নৱনীত ছন্দ সমবৃত্ত। উল্লেখনীয় যে বৃত্তমঞ্জৰী গ্ৰন্থৰ বহুমূলীয়া ভূমিকাত আচার্য্য মনোৰঞ্জন শাস্ত্রীদেৱে এই নৱনীত ছন্দৰ লক্ষণ এনেদৰে উল্লেখ কৰিছে—

স্যাদ্দ্বিতীয়মথা তুর্য-পঞ্চক-ষষ্টকঞ্চ
শোভনাঙ্গি! লঘু সাষ্টমং নৱমতঃপৰঞ্চ।
অক্ষৰত্রয়মথো চতুর্দশক-ষোডশঞ্চ
যর্হি তর্হি নৱনীতমিত্যুদিতমঞ্চিতঞ্চ।।

দুয়োটা লক্ষণ ফঁহিয়াই চালে মূলকথাৰ একো তাৰতম্য চকুত নপৰে। যিয়ে নহওক— বৃত্তমঞ্জৰীকাৰ ধীৰেশ্বৰাচার্য্যদেৱে নতুন ছন্দৰ আলোচনাৰে নিজৰ প্ৰতিভাৰ উমান দিছে।

৯.৫ ছন্দ সম্পৰ্কীয় ওপৰঞ্চি কথা

৯.৫.১ ছন্দৰ প্ৰয়োগবিধি

ছন্দৰ প্ৰয়োগ সম্পৰ্কে কিছু জানিবলগীয়া কথা আছে। ক্ষেমেন্দ্ৰ নামৰ এজন ছন্দঃশাস্ত্ৰৱিদে 'সুবৃত্ততিলক' নামৰ গ্ৰন্থ প্ৰণয়ন কৰিছিল। সেই গ্ৰন্থত বিশেষ বিশেষ ছন্দৰ প্ৰয়োগবিধি সম্পৰ্কে কিছু বিধান পোৱা যায়। উদাহৰণস্বৰূপে— অনুষ্টুপ্ ছন্দ শাস্ত্ৰ আৰু পুৰণাদি গ্ৰন্থৰ উপদেশ প্ৰদানৰ সময়ত প্ৰয়োগ কৰাটো শ্ৰেয়। বসন্ত তিলকা ছন্দ বীৰৰস আৰু ৰৌদ্ৰৰসৰ ক্ষেত্ৰত বিশেষভাৱে খাপ খায়। শার্দূলৱিক্ৰীড়িত ছন্দ ৰজাৰ পৰাক্ৰম বৰ্ণনাৰ বাবে উপযুক্ত। মন্দাক্রান্তা ছন্দ বৃষ্টিকালৰ প্ৰিয়াবিচ্ছেদত প্ৰয়োগ হয়। এনেধৰণৰ বিধিবিধান ক্ষেমেন্দ্ৰৰ সুবৃত্ততিলক গ্ৰন্থত উপলব্ধ।

বৃত্তমঞ্জৰী গ্ৰন্থত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে ছন্দৰ প্ৰয়োগ সম্পৰ্কীয় এনেধৰণৰ একো নিয়ম উল্লেখ কৰা নাই। অৱশ্যে সংস্কৃত ছন্দোগ্ৰন্থৰ ঐতিহাসিক পৰম্পৰাত ক্ষেমেন্দ্ৰৰ 'সুবৃত্ততিলক' গ্ৰন্থৰ বাহিৰে অইন কোনো গ্ৰন্থই ছন্দৰ প্ৰয়োগ সম্পৰ্কে এনেকুৱা একো কথা কোৱা নাই। অন্যথা কবিসকলৰ কবিতাবোৰ একে পৰিস্থিতিত সদায় একেবিধ ছন্দৰ প্ৰয়োগেৰে ভাৰাক্রান্ত হ'ব আৰু পাঠকৰ বাবে বিৰক্তিদায়ক হৈ পৰিব।

৯.৫.২ ছন্দৰ বিশ্লেষণ পদ্ধতি

যিকোনো সংস্কৃত পদ্য এটা দেখিলে সেই পদ্যটো কি ছন্দত ৰচিত জানিবলৈ হ'লে প্ৰথম কাম হৈছে অক্ষৰ গণনা। আপুনি ইতিমধ্যে গম পাইছে যে সংস্কৃত পদ্যৰ

চাৰিটাকৈ চৰণ থাকে। সাধাৰণতে সংস্কৃত পদ্যৰ প্ৰথম দুটা চৰণৰ অন্তত এডাল বিৰাম চিন (।) দিয়া থাকে। ইয়াকে প্ৰথম শাৰী (First Line) বুলি কয়। বাকী থকা দুটা চৰণৰ অন্তত দুডাল বিৰাম চিন (।।) দিয়া থাকে। ইয়াকে দ্বিতীয় শাৰী (Second Line) বোলে। প্ৰথম শাৰী আৰু দ্বিতীয় শাৰীৰ আখৰবোৰ গণিব লাগে। যদি দুয়োটা শাৰীত সমান সমান সংখ্যক আখৰ আছে তেনেহ'লে প্ৰথম শাৰীক সমানে দুভাগ কৰিব লাগে আৰু দ্বিতীয় শাৰীকো সমানে দুভাগ কৰিব লাগে। এতিয়া আপুনি চাৰিভাগ পালে। এই চাৰিভাগৰ প্ৰত্যেককে চৰণ বা পাদ বোলা হয়। এতিয়া চাৰিওটা চৰণত সমান সংখ্যক বৰ্ণ থকাটোৱেই সমবৃত্ত হয়— এই কথা আপুনি আগৰ অধ্যায়বোৰত পাই আহিছে। ইয়াৰ পিছত প্ৰতিটো চৰণৰ বৰ্ণবোৰৰ লঘু (হ্ৰস্ব) আৰু গুৰু (দীৰ্ঘ) বিচাৰ কৰিব লাগে। লঘু আৰু গুৰু নিৰূপণ বিধিৰ বিষয়ে আগত কোৱা হৈছে। এনেদৰে লঘু আৰু গুৰুবৰ্ণ নিৰ্ণয় কৰাৰ পিছত প্ৰতিচৰণৰ আখৰৰ সংখ্যা মিলাই চাই সেই সংখ্যা অনুসৰি পদ্যটো কি ছন্দত ৰচিত হৈছে সেই কথা গম পাব পাৰি। অৱশ্যে এই ক্ষেত্ৰত অভ্যাস কৰাটো অতিকৈ প্ৰয়োজনীয়। অৰ্দ্ধসমবৃত্ত, বিষমবৃত্ত, জাতি আদি ছন্দৰ নিৰ্ণয়ৰ বাবে অধিক অনুশীলনৰ আৱশ্যক।



জানি থোৱা ভাল

মন্দাক্ৰান্তা ছন্দৰ বহুল প্ৰয়োগ কৰিগুৰু কালিদাসে নিপুণভাৱে কৰিছে। তেওঁৰ বিশ্ববিখ্যাত গীতিকাব্য 'মেঘদূত'ৰ সকলোবোৰ কবিতা মন্দাক্ৰান্তা ছন্দত ৰচনা কৰা। দীঘলীয়া বৰ্ণবিন্যাসৰ ছন্দ হোৱা বাবে এই ছন্দ বিপ্ৰলম্ভ শৃংগাৰ ৰসত অধিক খাপ খাইছে বুলি সাহিত্য সমালোচকসকলে কয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'স্ৰগ্ধৰা' শব্দৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ২ ঃ মালিনী ছন্দত যতি ক'ত পৰে?

.....

.....

প্ৰশ্ন নং ৩ ঃ শিখৰিনী ছন্দৰ প্ৰতিচৰণত কিমানটাকৈ আখৰ থাকে?

.....

.....

প্ৰশ্ন নং ৪ ঃ 'বৃত্তমালা' নামৰ ছন্দোগ্ৰন্থখন কোনে ৰচনা কৰিছিল?

.....

.....

প্ৰশ্ন নং ৫ ঃ ছন্দৰ প্ৰয়োগবিধি সম্পৰ্কে কোনখন ছন্দঃশাস্ত্ৰত উল্লেখ আছে?

.....

.....

৯.৬ বৃত্তমঞ্জৰীত কাব্যিক সমীক্ষা


বৃত্তমঞ্জৰী এখন ছন্দঃশাস্ত্ৰ। সাধাৰণতে এনে শাস্ত্ৰবোৰ পাৰিভাষিক (Technical) বিধি-বিধানেৰে ভৰপূৰ হোৱা বাবে কাব্যিকতা বিচাৰি পোৱটো কঠিন। বৃত্তমঞ্জৰীৰ ক্ষেত্ৰত এই কথা সুকীয়া। কাৰণ, বৃত্তমঞ্জৰী গ্ৰন্থখন মহাকবি কালিদাসৰ শ্ৰুতবোধ ছন্দোগ্ৰন্থৰ আৰ্হিত ৰচিত। এইকথা বৃত্তমঞ্জৰী গ্ৰন্থৰ ৰচয়িতা ধীৰেশ্বৰাচাৰ্য্যদেৱে নিজেই বিনয়েৰে স্বীকাৰ কৰি গৈছে। এই বৃত্তমঞ্জৰীত পিঙ্গলছন্দঃসূত্ৰৰ লেখীয়াকৈ গণ ব্যৱহাৰ কৰি ছন্দৰ লক্ষণ প্ৰতিপাদন কৰা হোৱা নাই। ছন্দঃশাস্ত্ৰৰ গণ হৈছে পাণিনীয় প্ৰত্যাহাৰ সূত্ৰৰ দৰে এনে এক পাৰিভাষিক ব্যৱস্থা (Technical Means) য'ত সূত্ৰ আকৃতিত ছন্দৰ লক্ষণ প্ৰতিপাদন কৰা হয়। পিঙ্গলাচাৰ্য্যৰ পৰা আৰম্ভ কৰি ছন্দোমঞ্জৰী গ্ৰন্থৰ ৰচয়িতা গংগাদাস পৰ্য্যন্ত সেই ব্যৱস্থা অনুসৰণ কৰিছে। কিন্তু মহাকবি কালিদাস আৰু মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য এই ক্ষেত্ৰত ব্যতিক্ৰম। এওঁলোক দুজনাই পদ্য ৰচনা কৰি লক্ষণ প্ৰতিপাদন কৰিছে। এনেকৈ পদ্য ৰচনাৰে লক্ষণ প্ৰতিপাদন কৰাটো প্ৰত্যাহ্বানমূলক। কাৰণ, ছন্দঃশাস্ত্ৰৰ প্ৰাথমিক বৈশিষ্ট্য হৈছে ছন্দৰ লক্ষণটো লক্ষণ হোৱাৰ উপৰিও উদাহৰণ হিচাপে কাম কৰে। অৰ্থাৎ ছন্দৰ লক্ষণ নিৰ্মাণ কৰোতে সেই লক্ষণটোৰ বৰ্ণবোৰ ভাবি চিন্তিহে চয়ন কৰিব লাগে যাতে লঘু আৰু গুৰু বৰ্ণ মিলি গৈ লক্ষিত ছন্দটোৰ উদাহৰণ হিচাবে কামত লগাব পাৰি। এয়া বৰ টান কথা। বৃত্তমঞ্জৰী গ্ৰন্থত লক্ষণবোৰ পদ্যত হোৱা বাবে চাৰিওটা চৰণৰ বৰ্ণবোৰৰ লঘু আৰু গুৰু বিন্যাসৰ ক্ষেত্ৰত বিশেষ। সাৱধানতা অৱলম্বন কৰিব লগীয়া হৈছে। এই ক্ষেত্ৰত ধীৰেশ্বৰাচাৰ্য্যদেৱৰ প্ৰতিভা প্ৰশংসনীয়।

ছন্দৰ লক্ষণবোৰ সহজে বুজিব পৰাকৈ ধীৰেশ্বৰাচাৰ্য্যদেৱে সুন্দৰ এটা ভাষ্য ৰচনা কৰিছে। সেই ভাষ্যটোক 'বৃত্তি' বুলিও ক'ব পাৰি। উদাহৰণেৰে সৈতে প্ৰতিটো ছন্দৰ লক্ষণ আচাৰ্য্যদেৱে ফঁহিয়াই দিছে। ছন্দৰ লক্ষণবোৰৰ ঠায়ে ঠায়ে অনুপ্ৰাস, যমক আদি শব্দালঙ্কাৰ প্ৰয়োগ হোৱাৰ উপৰিও ৰূপক, উৎপ্ৰেক্ষা আদি অৰ্থালঙ্কাৰৰ ব্যৱহাৰ হৈছে। আনকি মহাপ্ৰমাণিকা ছন্দৰ লক্ষণ দিওঁতে—

'শৰচ্ছিয়োল্লসদ্বিসপ্ৰসূনভুণ্ডমণ্ডলে' আদি পদ্যাংশত সুন্দৰ চিত্ৰকল্প (Image) দাঙি ধৰিছে। ভাষ্যত ছন্দৰ উদাহৰণবোৰ দিওতে পূৰ্বৰ ছন্দোগ্ৰন্থৰ পৰা আহৰণ কৰাৰ উপৰিও ঠায়ে ঠায়ে অন্যান্য কাব্য-মহাকাব্যৰ পৰা উদ্ধৃতি দিছে। ক'ৰবাত আকৌ স্বকীয় পদ্যও আছে। কেতিয়াবা আকৌ ধীৰেশ্বৰাচাৰ্য্যদেৱৰ সৃষ্টি চিত্ৰকাব্যত পৰিণত হৈছে। দিক্‌দৰ্শনৰ বাবে বৃত্তমঞ্জৰীৰ সপ্তম স্তৱকৰ নিম্নোক্ত চক্ৰবন্ধ কবিতাটো প্ৰদৰ্শন কৰা হ'ল।

চক্রবন্ধঃ

(স্তৱকঃ = ৭; শ্লোকঃ ২৫)



জন্যার্য্যে নলিনাক্ষি য়াং ৱ্যৱচয়ৎপ্রাণাধিকাস্তে সুগীঃ
স্বচ্ছে শ্রোণিৱিৰাজমানৱশনে সংশ্রিত্য গাং ৱাগ্বিদঃ।
তত্রাধিতিনি য়ব্রতো ৱিৱচিতপ্রাতঃক্রিয়ে সম্পদা-
দালস্যঞ্জহতী স্বয়ং ৱিতনুয়া গীঃসম্পদঃ সর্ব্বদা।।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বৃত্তমঞ্জৰীৰ কেইটামান বছা বছা ছন্দৰ লক্ষণ জানিব পাৰিলে।
- অন্যান্য ছন্দঃশাস্ত্রত আলোচিত নোহোৱা কিছুমান নতুন ছন্দৰ বিষয়ে বৃত্তমঞ্জৰীকাৰে আলোচনা কৰিছে। তাৰো কিছু আভাস পালে।
- ছন্দৰ সুকীয়া সুকীয়া প্রয়োগবিধি সম্পর্কে অৱগত হ'ল।
- বৃত্তমঞ্জৰীৰ কাব্যিক সৌন্দর্য্যৰ বিষয়েও জ্ঞান লাভ কৰিলে।



৯.৮ অধিক জানিবলৈ

১) *বৃত্তমঞ্জৰী*, মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য কবিৰত্নপ্রণীত, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, অসম, ১৯৬১।



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্রক্ + ধৰা = স্রগ্ধৰা। 'স্রক্' শব্দই মালা বুজায়। 'ধৰা' মানে ধাৰণ কৰা। গতিকে স্রগ্ধৰা মানে মালাধাৰী।

২ নং প্রশ্নৰ উত্তৰ ঃ মালিনী ছন্দৰ যতি প্রতিচৰণৰ ৮ সংখ্যক আৰু ৭ সংখ্যক আখৰৰ অন্তত পৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ শিখৰিণী ছন্দৰ প্রতিচৰণত ১৭ টাকৈ আখৰ থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ কৰিকর্ণপূৰে ৰচনা কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক্ষেমেন্দ্রৰ সুবৃত্ততিলক গ্রন্থত।



৯.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ সংস্কৃত পদ্যৰ চৰণ মানে কি বস্তু লিখক।

(খ) চুটি প্রশ্ন (২৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৃত্তমঞ্জৰী অনুসৰি লক্ষণ আৰু উদাহৰণ সহকাৰে বুজাই লিখক—
মন্দাক্রান্তা ছন্দ, শিখৰিণী ছন্দ।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৃত্তমঞ্জৰী অনুসৰি ধীৰেশ্বৰাচার্য্যৰ কাব্যিক প্রতিভা দাঙি ধৰক।

প্রশ্ন ২ ঃ বৃত্তমঞ্জৰীত আলোচিত নতুন ছন্দৰ এটি টোকা লিখক।

*** ***** ***